# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 29-01-2025
**Time :** 21-25 Hrs

# *Assamese Night Bulletin*

::::::::::::::::::::::::::::::::::

বজালী জিলাৰ পাঠশালাত পৰহিলৈৰ পৰা হ'বলগীয়া অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বি-বাৰ্ষিক অধিৱেশনৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। বজালীৰ ভট্টদেৱ ক্ষেত্ৰত পাঁচদিনীয়াকৈ হ'বলগীয়া এই অধিৱেশনৰ সাংস্কৃতিক শোভাযাত্ৰাত বৰ অসমৰ আৰ্হিৰ প্ৰতিফলন ঘটোৱাৰ প্ৰয়াস কৰা হ'ব। দুখন বাহনত প্ৰতীকি ৰূপত বজালীৰ ঐতিহাসিক ডুবি দেৱালয়, ভোগেশ্বৰী মন্দিৰ আৰু এছিয়াৰ দ্বিতীয় সৰ্ববৃহৎ জালিখাটাৰ বটগছৰ লগতে অসমৰ ভিন্ন কলা-সংস্কৃতি আটকধুনীয়া ৰূপত তুলি ধৰা হ'ব। সাহিত্য সভাৰ অধিৱেশন এইবেলি প্ৰথমবাৰলৈ বাটৰ কবিতাৰ আয়োজন কৰা হৈছে। একেদৰে এইবাৰৰ অধিৱেশনত বাণিজ্য মেলাৰ পৰিৱৰ্তে বিজ্ঞান মেলাৰ দিহা কৰা হৈছে। বজালীৰ উৎপাদিত সামগ্ৰী খাদ্য সম্ভাৰেৰে বজালী হাটৰো ব্যৱস্থা কৰা হৈছে।

ooo

কামৰূপ মহানগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি জিলা উন্নয়ন - সমন্বয় আৰু নিৰীক্ষণ সমিতি চমুকৈ দিশাৰ এখন বৈঠক অনুষ্ঠিত হয়। গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধিৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত মহিলা আৰু শিশু উন্নয়ন, স্বাস্থ্য, খাদী আৰু গ্ৰামোদ্যোগ, ৰেচম, অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযান, জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগ আৰু গুৱাহাটী পৌৰ নিগম আদি বিভাগসমূহে নিজ নিজ বিভাগৰ কাম-কাজৰ খতিয়ান দাঙি ধৰে। বিষয়াসকলৰ সৈতে হোৱা কথা বতৰাত সাংসদগৰাকীয়ে চৰকাৰৰ জনকল্যানমূলক আঁচনিসমূহ নিৰ্ধাৰিত সময়ত সফলভাৱে ৰূপায়ণ কৰাত গুৰুত্ব আৰোপ কৰে। এইক্ষেত্ৰত বিভাগীয় বিষয়া কৰ্মচাৰীসকলক সম্পূৰ্ণ দায়বদ্ধতাৰে জনসেৱাৰ কামত মনোনিবেশ কৰিবলৈও তেওঁ আহ্বান জনায়।

এই বৈঠকত মহানগৰ জিলা আয়ুক্ত সুমিত চট্টৰান জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ধীৰাজ দাসকে ধৰি বিভিন্ন বিভাগৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

ooo

ৰাজ্যৰ ভাৰপ্ৰাপ্ত আৰক্ষী সঞ্চালক প্ৰধান হিচাপে ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া হৰমিত সিঙে আজি দায়িত্বভাৰ গ্ৰহণ কৰে। গুৱাহাটীৰ উলুবাৰীত থকা অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ত হৰমিত সিঙে জি পি সিঙৰ পৰা দায়িত্বভাৰ গ্ৰহণ কৰে। পূৰ্বৰ আৰক্ষী সঞ্চালক প্ৰধান জ্ঞানেন্দ্ৰ প্ৰতাপ সিঙক কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সঞ্চালক প্ৰধান হিচাপে নিযুক্তি দিয়াৰ পৰিপ্ৰেক্ষিতত হৰমিত সিঙক ভাৰপ্ৰাপ্ত আৰক্ষী সঞ্চালক প্ৰধানৰ দায়িত্ব অৰ্পন কৰা হৈছে।

আৰক্ষী সঞ্চালক প্ৰধান হিচাপে জ্ঞানেন্দ্ৰ প্ৰতাপ সিঙৰ কাৰ্যকালৰ অন্তিমটো দিনত আজি চতুৰ্থ অসম আৰক্ষী বাহিনীৰ পেৰেড গ্ৰাউণ্ডত বিদায় অভিবাদন জনোৱা হয়। আৰক্ষীৰ শীৰ্ষ বিষয়াগৰাকীৰ বিদায় অভিবাদন

পেৰেডত আৰক্ষীৰ আঠটা প্লেটুনে অংশগ্ৰহণ কৰে। অনুষ্ঠানত ৰাজ্যৰ প্ৰতিখন জিলাৰ আৰক্ষী অধীক্ষকো উপস্থিত থাকে।

০০০

বাক্সা জিলাৰ গোলাগাওঁ আঞ্চলিক বাথৌ মন্দিৰ প্ৰাঙ্গনত ৫ দিনীয়াকৈ অনুষ্ঠিত **গোলাগাওঁ আঞ্চলিক বাথৌ দেহোৰাম গৌথুম** সোণালী জয়ন্তী মহোৎসৱৰ আজি দ্বিতীয় দিনাৰ কাৰ্যসূচীত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মাই অংশগ্ৰহণ কৰে। সভাত অংশগ্ৰহণ কৰি মন্ত্ৰী ব্ৰহ্মাই সংবাদ মাধ্যমৰ আগত কয়, যে বাথৌ ধৰ্ম বড়োসকলৰ প্ৰাচীন ধৰ্ম। বাথৌ ধৰ্মৰ জৰিয়তে বহু লোকৰ সংস্কাৰ সাধন হৈছে। তেওঁ এখন নিচামুক্ত সমাজ গঢ়ি তুলিবলৈ যুৱ সমাজৰ প্ৰতি আহ্বান জনায়। সভাত প্ৰাক্তন বিধায়ক থানেশ্বৰ বসুমতাৰী, বিটিআৰৰ পাৰিষদ মণ্টু বড়োকে ধৰি কেবাগৰাকী ব্যক্তিয়ে অংশগ্ৰহণ কৰে। অহা পহিলা ফেব্ৰুৱাৰীত এই মহোৎসৱৰ সামৰণি পৰিব।

০০০

কেন্দ্ৰীয় চৰকাৰৰ চেণ্ট্ৰেল ব্যুৰো অৱ কমিউনিকেচনৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ গুৱাহাটীত অৱস্থিত আঞ্চলিক কাৰ্যালয়ে কল্যাণী বাল্য ভৱন চিনিয়ৰ চেকেণ্ডাৰী বিদ্যালয়ত আজি এখন সজাগতা সভা অনুষ্ঠিত কৰে। প্ৰকৃতিপ্ৰেমী অনুষ্ঠান সেৱাৰ সহযোগত আয়োজিত এই অনুষ্ঠানত বহুসংখ্যক লোকে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে কল্যাণী বাল্য ভৱনৰ ৰূপালী জয়ন্তীৰ সৈতে সংগতি ৰাখি আয়োজন কৰা এই সভাত স্বচ্ছ ভাৰত আৰু যোগ তথা যোগভ্যাস বিষয়ত বক্তৃতা আগবঢ়োৱা হয়।

০০০

জনসাধাৰণৰ মাজত সুষম আহাৰৰ প্ৰয়োজন সন্দৰ্ভত সজাগতা সৃষ্টিৰ উদ্দেশ্যে আজিৰ পৰা তিনিচুকীয়া চহৰৰ চলিহা নগৰ খেলপথাৰত সঠিক ভোজন মেলাৰ আয়োজন কৰা হৈছে। জিলা প্ৰশাসনৰ সহযোগত আৰু খাদ্য সুৰক্ষা বিভাগৰ উদ্যোগত আয়োজিত এই মেলাখন আজি জিলা উন্নয়ন আয়ুক্তই বন্তি প্ৰজ্বলন কৰি মুকলি কৰে। আয়ুক্তগৰাকীয়ে কয় যে খাদ্যাভ্যাসৰ সৈতে ৰোগ-ব্যাধিৰ গভীৰ সম্পৰ্ক আছে আৰু সেয়ে সুষম আহাৰ সম্পৰ্কে সজাগতাৰ খুবেই আৱশ্যক। সঠিক ভোজন মেলাৰ আজি প্ৰথম দিনা কাৰিকৰী অধিবেশনত সমল ব্যক্তি হিচাপে ভাগ লৈ তিনিচুকীয়া কৃষি বিকাশ কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত মুৰব্বী মৃন্ময় চেতিয়াই ভেজাল খাদ্য চিনাক্তকৰণৰ বিভিন্ন উপায় সম্পৰ্কে উপস্থিত লোকসকলক অৱগত কৰে। দ্বিতীয়খন কাৰিকৰী অধিবেশনত ক্ষুদ্ৰ বিক্ৰেতাসকলক খাদ্য সুৰক্ষাৰ ক্ষেত্ৰত পালন কৰিবলগীয়া কৰ্তব্যসমূহৰ বিষয়ে অৱগত কৰা হয়। অনুষ্ঠানটোৰ সৈতে সংগতি ৰাখি থলুৱা খাদ্যৰ মেলাৰো আয়োজন কৰা হৈছে।

০০০

পশ্চিমবংগৰ কোচবিহাৰ জিলাৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীমধুপুৰ ধাম সত্ৰত বুঢ়াৰ পো গোবিন্দ আতৈৰ তিৰোভাৱ তিথিৰ লগত সংগতি ৰাখি ৰাজ্য চৰকাৰৰ পৰ্যটন বিভাগৰ উদ্যোগত আৰু ধুবুৰী জিলা প্ৰশাসনৰ সহযোগত আজিৰে পৰা তিনিদিনীয়াকৈ মধুপুৰ উৎসৱ অনুষ্ঠিত হৈছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মহাপ্ৰয়ানৰ পৱিত্ৰ তীৰ্থভূমি কোচবিহাৰৰ মধুপুৰ সত্ৰত পালন কৰা এই উৎসৱৰ জৰিয়তে মহাপুৰুষীয়া কৃষ্টি-সংস্কৃতিক বিশ্বমুখী কৰাৰ প্ৰয়াস কৰা হৈছে। এই উৎসৱৰ সময়ছোৱাত অসম আৰু পশ্চিমবংগৰ বিভিন্ন সত্ৰৰ সত্ৰাধিকাৰৰ উপৰি চুবুৰীয়া ৰাজ্যখনৰ ভকত-বৈষ্ণৱে গুৰু দুজনাৰ কৰ্মৰাজিৰ বিষয়ে আলোচনাত মিলিত হয়।

০০০

সমাপ্ত